**Series : RQ3SP** **SET~4**

**Q.P. Code 14**

Candidates must write the Q.P. Code on the title page of the answer-book.

Roll No. | | | | | | | | |

# অসমীয়া
# ASSAMESE

*সময় : **3** ঘণ্টা* *সৰ্বমুঠ নম্বৰ : **80***

*Time allowed : **3** hours* *Maximum Marks : **80***

**NOTE :**

(I) Please check that this question paper contains **11** printed pages.

(II) Q.P. Code given on the right hand side of the question paper should be written on the title page of the answer-book by the candidate.

(III) Please check that this question paper contains **18** questions.

(IV) **Please write down the Serial Number of the question in the answer-book at the given place before attempting it.**

(V) 15 minute time has been allotted to read this question paper. The question paper will be distributed at 10.15 a.m. From 10.15 a.m. to 10.30 a.m., the candidates will read the question paper only and will not write any answer on the answer-book during this period.

***General Instructions :***

*Question paper is divided into **4** sections.*

*It has total **18** questions.*

***Section A** : 2 Questions no. 1 to 2*

***Section B** : 5 Questions no. 3 to 7*

***Section C** : 5 Questions no. 8 to 12*

***Section D** : 6 Questions no. 13 to 18*

*Attempt questions as per specific instructions.*

*Write question no. in answer book before attempting it.*

*সাধাৰণ নিৰ্দেশনা :*

*প্ৰশ্নকাকতৰ প্ৰশ্নসমূহ চাৰি (৪) ভাগত বিভক্ত ।*

*সৰ্বমুঠ প্ৰশ্নৰ সংখ্যা : ১৮*

***শাখা 'ক'*** *: প্ৰশ্নৰ সংখ্যা ২, প্ৰশ্ন নং ১-২*

***শাখা 'খ'*** *: প্ৰশ্নৰ সংখ্যা ৫, প্ৰশ্ন নং ৩-৭*

***শাখা 'গ'*** *: প্ৰশ্নৰ সংখ্যা ৫, প্ৰশ্ন নং -৮-১২*

***শাখা 'ঘ'*** *: প্ৰশ্নৰ সংখ্যা ৬, প্ৰশ্ন নং ১৩-১৮*

*পৰীক্ষাৰ্থীসকলে নিৰ্ধাৰিত নিৰ্দেশ অনুসৰি প্ৰশ্নসমূহৰ উত্তৰ কৰিব ।*

*উত্তৰ বহীত প্ৰশ্নসমূহৰ উত্তৰ কৰাৰ পূৰ্বে প্ৰশ্ন নং লিখাটো আৱশ্যক ।*

## SECTION A

## (বোধ পৰীক্ষণ) (15 Marks)

**1.** তলত দিয়া অনুচ্ছেদটো পঢ়ি প্ৰশ্নবোৰৰ উত্তৰ লিখা । *6×2=12*

পৃথিৱী পৃষ্ঠৰ যি অংশৰ পৰা চৌদিশে নৈয়ে গতি কৰে, তেনে অংশক জলবিভাজিকা বোলা হয় । এইটো হ'ল ভূ-জলতন্ত্ৰ আৰু নলাৰ এক সাধাৰণ অংশ, যিটোক পৃথিৱী জুৰি অঞ্চল বিশেষৰ উন্নয়নৰ এক বৈজ্ঞানিক আহিলা হিচাপে গণ্য কৰা হৈছে । মাটি, পানী আৰু গছ-গছনিৰ প্ৰাকৃতিক সম্পদ সমূহৰ যুক্তিসংগত ব্যৱহাৰৰ যোগেদি স্থিতি-যোগ্যভাৱে মাটিৰ শস্য উৎপাদন কৰিব পৰা ক্ষমতাৰ বৃদ্ধি কৰাটোৱেই হ'ল জলবিভাজিকা উন্নয়নৰ দীৰ্ঘম্যাদী উদ্দেশ্য । জলবিভাজিকা উন্নয়নে মাটিৰ পানী ধৰি ৰাখিব পৰা ক্ষমতা বৃদ্ধি কৰে । নিম্নগামী পানী পুনৰ ব্যৱহাৰৰ উপযোগী কৰিব পাৰে আৰু খোৱাপানীৰ শক্তিবৰ্ধন কৰে । ই ঘাঁহ, খৰি, কাঠ আৰু উদ্যোগৰ বাবে কেঁচা সামগ্ৰী উৎপাদন বৃদ্ধিৰ যোগেদি কৃষিৰ উন্নয়ন ঘটায় । জল বিভাজিকা উন্নয়ন কাৰ্য ব্যৱস্থা নিশ্চিতৰূপে কাৰ্যসফলতাৰ এক গ্ৰহণযোগ্য মাধ্যম । ইয়াৰ বাবে জনগণৰ বিস্তৃত অংশ গ্ৰহণ অতি প্ৰয়োজনীয় ।

পৃথিৱীত পানীৰ গুৰুত্বৰ প্ৰতি মনোনিৱেশ কৰিলে দেখা যায় যে ভৱিষ্যতে ভাৰতৰ ব্যৱসায়িক ক্ষেত্ৰখনত পানী এক বিশেষ বিষয় হৈ পাৰিব । যদিও ভাৰতত ঔদ্যোগিক আৰু সেৱা খণ্ডই যথেষ্ট অগ্ৰগতি লাভ কৰিছে তথাপিও কৃষিখণ্ডৰ জৰিয়তে গৰিষ্ঠ সংখ্যক মানুহে জীৱন নিৰ্বাহ কৰি আছে । কৃষিৰ বাবে থকা মাটিখিনি জনসংখ্যাৰ বিস্ফোৰণ, পৰিবহন আদিৰ বাবে হ্ৰাস পাই আহিছে । পানীৰ অবিহনে যেনেকৈ মাটি মৰুভূমিলৈ ৰূপান্তৰিত হয়, ঠিক একেদৰে মাটি নোহোৱাকৈ পানীৰ মূল্য নাথাকে । যিহেতু আমাৰ দেশত যথেষ্ট পৰিমাণে বৰষুণ হয় আৰু মৰুভূমিৰ সমস্যাও আছে, গতিকে পানী ব্যৱহাৰৰ উপযুক্ত ব্যৱস্থা লোৱাটো প্ৰয়োজনীয় কাম । সকলো স্তৰৰ মানুহৰ অংশগ্ৰহণে এনে ব্যৱস্থা সফল হোৱাত সহায় কৰিব । বৰ্তমান সময়ত আমাৰ কৃষিখণ্ডত জলবিভাজিকা পদ্ধতিৰ জৰিয়তে কিছুমান অনুৰ্বৰ ভূমি কৃতকাৰ্যতাৰে কৃষিৰ বাবে উপযোগী কৰি তোলা হৈছে । ইয়ে ব্যক্তি অথবা পৰিয়ালৰ লগতে দেশৰো অৰ্থনীতিত উল্লেখনীয় অৱদান যোগাব পাৰে । পানীৰ উপযুক্ত ব্যৱহাৰৰ বাবে জনসাধাৰণক জড়িত কৰাটো আৱশ্যকীয় । ইয়াৰ ফলত দীৰ্ঘদিন বৰ্তি থাকিব পৰা উন্নয়নৰ সম্ভাৱনা প্ৰকট হয় । আমাৰ দেশত বৰষুণ দি থকা সময়ত কৃষি উৎপাদন ভাল হয় । আৰু বৰষুণৰ নাটনি হ'লে শস্যৰ উৎপাদন কমি যায় । গতিকে বৰ্তমানৰ হাৰত জনসংখ্যা বৃদ্ধি পাই থাকিলে ২০৫০ চন মানত জনসংখ্যা ১৫০ কোটি হ'বগৈ । সেয়ে শস্যৰ উৎপাদন বৃদ্ধি কৰাটো দৰকাৰী কাৰ্য । ইয়াৰ বাবে কৃষি মাটিৰ বহুতো অঞ্চললৈ জলসিঞ্চনৰ ব্যৱস্থা কৰাটো অপৰিহাৰ্য ।

হাৰিয়ানাৰ চুখোমাজৰি গাঁৱত বাস কৰা পৰিয়ালবোৰে ১৯৭৫ চনলৈ বছৰত মাত্ৰ এটা খেতিহে কৰি জীৱন নিৰ্বাহ কৰিছিল আৰু পোহনীয়া গৰু-ছাগলী-আদি ওচৰৰ পাহাৰত এৰি দিছিল । মানুহবোৰে নিজেও গছ-গছনি আদি কাটিব ধৰিছিল । ইয়াৰ ফলত পাহাৰবোৰত গছ-গছনি লাহে লাহে নোহোৱা হৈ টকলা হৈ পৰিছিল । বৰষুণৰ পানী বাধাহীন ভাৱে বাগৰি অহাৰ বাবে মাটিৰ ক্ষয়ীকৰণ আৰু খেতি পথাৰ বিধ্বস্ত হৈ পৰিছিল । ইয়াৰ প্ৰতিকাৰৰ বাবে বিভিন্ন গছ-গছনি ৰোপন আদি প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছিল । কিন্তু ৰাইজৰ

অসহযোগিতাৰ বাবে সুফল পোৱা নগ'ল । কিন্তু স্থানীয় ৰাইজক জড়িত কৰি জলবিভাজিকা প্ৰক্ৰিয়াৰ সহায়ত জলসিঞ্চনৰ ব্যৱহাৰ কৰাৰ পিছৰে পৰা অঞ্চলটোৰ অৰ্থনীতিত পুনৰ সুপ্ৰভাৱ পৰিবলৈ আৰম্ভ হয় আৰু পৰিবেশ সংৰক্ষণতো যথেষ্ট উন্নতি ঘটে ।

ভৌগোলিক বিশেষত্বৰ বাবে ভাৰতবৰ্ষই প্ৰতি বছৰে কিছুমান প্ৰাকৃতিক দুৰ্যোগৰ সন্মুখীন হ'ব লগা হয় । বানপানী, ঘূৰ্ণী বতাহ, ভূমিকম্প, খৰাংবতৰ, ভূমিস্খলন আদিৰ বাবে ভয়ংকৰ প্ৰাকৃতিক দুৰ্যোগে আমাৰ দেশৰ জনসাধাৰণক জোঁকাৰি যায় । এনেধৰণৰ পৰিস্থিতিৰ মোকাবিলা কৰিবৰ বাবে সীমিত সম্পদখিনিকে পৰিকল্পিত আঁচনিৰ পৰা কাটি আনিব লগা হৈছে । ইয়াৰ ফলত আমাৰ উন্নয়নমুখী অৰ্থনীতিত যথেষ্ট চাপ পৰে । গতিকে পৰিকল্পনাকাৰী সংস্থাসমূহ আৰু ইয়াক কাৰ্যকৰী কৰা ব্যক্তিসমূহে কিছুমান সুদূৰ প্ৰসাৰী সিদ্ধান্ত ল'ব লগা হৈছে । যাতে ভূক্তভোগী সকলে সকাহ পায় ।

**প্ৰশ্ন :**

(i) জলবিভাজিকা কাক বোলে? ইয়াক কি হিচাপে গন্য কৰা হৈছে ? *2*

(ii) পৃথিৱীত পানীৰ গুৰুত্বৰ প্ৰতি মনোনিবেশ কৰিলে কি দেখা যায় ? কোনটো খণ্ডৰ জৰিয়তে ভাৰতৰ গৰিষ্ঠসংখ্যক মানুহে জীৱন নিৰ্বাহ কৰি আছে ? *2*

(iii) আমাৰ দেশত কি কাৰণে পানী ব্যৱহাৰৰ উপযুক্ত ব্যৱস্থা লোৱাটো অতি প্ৰয়োজনীয় ? *2*

(iv) হাৰিয়ানা ৰাজ্যৰ চুখোমাজৰি গাঁৱৰ মানুহে প্ৰাকৃতিক দুৰ্যোগৰ পৰা সম্পদ বচাই কিদৰে জীৱন নিৰ্বাহ কৰিছিল ? *2*

(v) কেনেকুৱা দুৰ্যোগে প্ৰতি বছৰে আমাৰ দেশৰ মানুহখিনিক জোঁকাৰি যায় ? *2*

(vi) কোনো প্ৰাকৃতিক দুৰ্যোগৰ পাছত মোকাবিলাৰ বাবে কি ব্যৱস্থা লোৱা উচিত ? *2*

**2.** (i) 'উপযুক্ত' শব্দটোৰ সমাৰ্থক শব্দটো বাছি উলিওৱা — *3×1=3*

(A) অনুপযুক্ত (B) যোগ্য

(C) ভাল (D) উচিত

(ii) ''সফল'' শব্দৰ বিপৰীতাৰ্থক শব্দ বাছি উলিওৱা —

(A) সীমিত (B) বিফল

(C) অপ্‌চয় (D) নিষেধ

(iii) 'নিৰ্বাহ' শব্দটোত কি উপসৰ্গ যোগ হৈ আছে ?

(A) নি (B) নিঃ

(C) নিৰ (D) নীৰ

## SECTION B

## (লিখন কলা) (25 Marks)

**3.** (a) তলত দিয়া সংকেত বাক্যকেইটাৰ সহায়ত গল্পটো সম্পূৰ্ণকৈ লিখা । (গল্পটোৰ এটা শিৰোনাম আৰু নীতি শিক্ষা লিখিব লাগিব ।) *5*

এখন গাঁৱত এজন বৰ পৰিশ্ৰমী খেতিয়ক আছিল ________ তেওঁ এলাহ-ভাগৰ একো বুজি নাপাইছিল । ________ ৰাতিপুৱাৰ পৰা ৰাতিলৈকে ঘৰে-বাহিৰে কামকে কৰিছিল ________ ঘৰখন নদন-বদন হৈ উঠিল ________ তেওঁৰ পাঁচজন পুত্ৰ আছিল । ________ সিঁহতে কাম-বন নকৰি কেৱল কাজিয়াকে কৰিছিল ________ মিলাপ্ৰীতি নোহোৱা হ'ল । খেতিয়কজনো বুঢ়া হৈ আহিল-ল'ৰাহঁতে প্ৰত্যেকে বেলেগে খোৱাৰ সিদ্ধান্ত ল'লে ________ বুঢ়াই কেইডালমান খাগৰি আনি ________ ল'ৰাহঁতক এডাল এডালকৈ ভাঙিব দিলে । ________ সিহঁতে সহজতেই ভাঙিলে । ________ পিছত তেওঁ আটাইবোৰ খাগৰি মুঠি কৰি লৈ সিহঁতক ভাঙিব দিলে ________ নোৱাৰিলে । তেওঁ পুতেকহঁতক বুজাই দিলে এক গোট হৈ থাকিলে সংসাৰত উন্নতি কৰিব পাৰি ________ অন্যথাই সংসাৰ বৰ্তি নাথাকে ।

**নাইবা (OR)**

(b) যিকোনো এখন ৰচনা লিখা —

(i) যোগাযোগৰ অন্যতম মাধ্যম ইন্টাৰনেট

(ii) শাৰীৰিক শিক্ষা

**4.** 'কখগ' বিদ্যালয়ত উদ্‌যাপিত 'গান্ধী জয়ন্তী'ৰ বিষয়ে জনাই বাতৰি কাকতত প্ৰকাশৰ বাবে এখন প্ৰতিবেদন যুগুত কৰা। *5*

**5.** তলত দিয়া যিকোনো ফকৰা-যোজনা এটা বুজাই লিখা — *1×5=5*

(i) মহন্তৰ চিন মাহনিত

(ii) ৰাইজে নখ জোকাৰিলে নৈ বয়

**6.** ভাৱ সম্প্ৰসাৰণ কৰা — (যিকোনো এটা) *1×5=5*

(i) যিবিলাক ৰীতি-নীতি নৰৰ গঠিত সকলোতে ভাবি চোৱা স্বাৰ্থ বিৰাজিত

(ii) মানুহৰ জীৱনৰ আৰ্হি অব্যৰ্থ বীজ সি সকলো ঠাইতে গজে

**7.** তলত দিয়া খণ্ডবাক্য কেইটাৰে বাক্য ৰচনা কৰাঁ — (যিকোনো পাঁচটা) *5×1=5*

(i) মাটি কৰ

(ii) ভাত মৰ

(iii) বাট কুৰি বা

(iv) মাত মৰ

(v) হাড়লৈকে চিনা

(vi) মাত কথা খা

## SECTION C

**(ব্যাকৰণ)** **(20 Marks)**

**8.** তলত দিয়া সমোচ্চাৰিত শব্দকেইটাৰ অৰ্থ বাছি উলিয়াই লিখা — *4×1=4*

(i) আঁট —

(A) যথেষ্ট

(B) আটা

(C) মেৰিয়াই থোৱা সূতাৰ মূৰ

(D) আঁত

(ii) আট —

(A) আচল (B) টানি বান্ধ

(C) আতা (D) অভিজ্ঞ

(iii) কাঁড় —

(A) ৰোগ (B) শৰ

(C) চিচা (D) কাঁচ

(iv) কাৰ —

(A) ধনু (B) তীৰ

(C) গাড়ী (D) কোন মানুহৰ

**9.** (a) তলত দিয়া শব্দকেইটাৰ অনুৰূপ শব্দ বাছি উলিয়াই লিখা — *4×1=4*

(i) ডা —

(A) ডাঙৰীয়া (B) ডাল

(C) ডাঙৰ (D) দীঘল

(ii) 'চাকৰ' —

(A) চাকৰ-নাকৰ (B) চাকৰ-তাকৰ

(C) চাকৰ-বাখৰ (D) চাকৰ-মাকৰ

(b) (i) শুদ্ধ উত্তৰটো বাছি উলিয়াই লিখা —

কোনো ধ্বনি বা জীৱজন্তুৰ মাত অনুকৰণ কৰি ____________ শব্দ গঠন কৰা হয়।

(A) অনুৰূপ (B) অনুকাৰ

(C) যুৰীয়া (D) যোগৰূঢ়

(ii) শুদ্ধ অনুকাৰ শব্দটো বাছি উলিয়াই লিখা —

(A) হিৰ্ হিৰ্ (B) মা-মচলা

(C) তেল-কুৰ (D) মাছ-তাছ

**10.** তলত দিয়া নিয়মসমূহৰ অন্তৰ্গত নিৰ্দিষ্ট শব্দকেইটা বাছি উলিয়াই লিখা — *4×1=4*

(i) ট-বৰ্গৰ বৰ্ণৰ লগত যুক্ত দন্ত্য 'স', মূৰ্দ্ধন্য 'ষ' হয় —

(A) অস্ত (B) দুষ্ট

(C) হস্তাক্ষৰ (D) ৰাস্তা

(ii) কিছুমান শব্দ স্বাভাবিকতে মূৰ্দ্ধন্য 'ণ' হয় —

(A) বীণা (B) দণ্ড

(C) ৰাৱণ (D) বৰ্ণ

(iii) প্ৰ,পূৰ্ব অপৰ আদিৰ পিছত থকা 'অহ্ন' শব্দৰ দন্ত্য 'ন' মূৰ্দ্ধন্য 'ণ' হয় —

(A) বিষন্ন (B) উত্তৰায়ন

(C) জীৰ্ণ (D) অপৰাহ্ন

(iv) প্ৰত্যয় যোগ হ'লে হবিস্ আৰু চাক্ষুস্ শব্দৰ দন্ত্য 'স' মূৰ্দ্ধন্য 'ষ' হয় —

(A) ভীষ্ম (B) যুধিষ্ঠিৰ

(C) চাক্ষুষ (D) পাষণ্ড

**11.** তলৰ শব্দকেইটাত যোগ হোৱা প্ৰত্যয়কেইটা বাছি উলিওৱা — *4×1=4*

(i) পলৰীয়া —

(A) অৰীয়া (B) ৰীয়া

(C) অৰিয়া (D) ঈয়া

(ii) বাজনা —

(A) অনা (B) অন

(C) অনি (D) অৰিনা

(iii) মাহেকীয়া —

(A) ইয়া (B) ঈয়া

(C) য়া (D) ওয়া

(iv) বাটৰুৱা —

(A) ৰুৱা (B) অৰুৱা

(C) ওৱা (D) উৱা

**12.** নির্দেশ অনুসৰি তলৰ বাক্যবোৰৰ উক্তি পৰিৱৰ্তন কৰা — *4×1=4*

(i) ল'ৰাটোৱে কৈছিল, ''মোৰ এতিয়া পঢ়াৰ মন নাই।'' (পৰোক্ষ উক্তিলৈ)

(ii) মই ঘৰলৈ আহিম নে (নাহিম) তেওঁ সুধিছিল। (প্ৰত্যক্ষ উক্তিলৈ)

(iii) মাই কৈছিল, মোৰ আজি গা ভাল নহয়। (পৰোক্ষ উক্তিলৈ)

(iv) তেওঁ কলে যে তেওঁ দহটা বসন্ত পাৰ কৰি দিলে। (প্ৰত্যক্ষ উক্তিলৈ)

## SECTION D

**(গদ্য ভাগ)** **(20 Marks)**

**13.** উত্তৰ লিখা(এটাৰ) — *1×4=4*

(i) লক্ষ্মীনাথ বেজবৰুৱাৰ মতে বিদেশী নাটকৰ অসমীয়া অনুবাদ কেনে হোৱা উচিত?

(ii) ভাৰতীয় সংস্কৃতিৰ মূলাধাৰ বেদ — কথাষাৰ বহলাই লিখা।

(iii) ''কৰ্মই জীৱন আৰু কৰ্মহীনতাই, প্ৰকৃত মৃত্যুস্বৰূপ।'' — ব্যাখ্যা কৰা।

**14.** তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা — *1×2=2*

(i) আনন্দৰাম বৰুৱাৰ কোনবোৰ গুণ সদায় অনুকৰণ কৰিবলগীয়া?

(ii) প্ৰকৃত ত্যাগ মানে কি বুজা ?

(iii) লক্ষ্মীনাথ বেজবৰুৱাক কটন কলেজৰ ছাত্ৰসকলে কিদৰে অভিনন্দন জনাইছিল ?

**15.** তলৰ প্ৰশ্নসমূহৰ উত্তৰ অতি চমুকৈ লিখা — *4×1=4*

(i) উপেন্দ্ৰচন্দ্ৰ লেখাৰুৱে সম্পাদনা কৰা সৰ্ব বৃহৎ কলেবৰৰ পুথিখনৰ নাম কি ?

(ii) শ্বেক্সপীয়েৰৰ 'Comedy of Errors' নামৰ পুথিখনৰ অসমীয়ালৈ অনুবাদ কৰি কি নামেৰে প্ৰকাশ কৰা হৈছিল ?

(iii) আনন্দৰামৰ কাম আৰু সংকল্প দেখি কোনজন জগত বিখ্যাত পণ্ডিতে বিস্ময় মানিছিল ?

(iv) ভগৱদ্ গীতাৰ মূল বাণী কি ?

## (পদ্য ভাগ)

**16.** তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা — *1×4=4*

(i) 'উভতি নহাৰ কবিতা' ত পৃথিৱীৰ প্ৰতি কবিৰ ভালপোৱা কেনেদৰে প্ৰকাশ পাইছে বুজাই লিখা।

(ii) তলৰ কবিতাফাকিৰ অন্তৰ্নিহিত ভাৱটি বুজাই লিখা —

দুৰ্নিবাৰ ভূমিকম্প উল্লাসে
বিকশিত হৈ আহিছে সেই
জীৱনৰ মহা প্ৰবাহে প্ৰবাহে
জনতাৰ মহাপ্ৰাণ।

(iii) ত্ৰিজগত পতি ভকতি মিলিল
মূৰুখ মাধৱে বোলে। — ব্যাখ্যা কৰা।

**17.** তলত দিয়া যিকোনো এটা প্ৰশ্নৰ চমু উত্তৰ দিয়া — *1×2=2*

(i) বৰগীত কাক বোলে ? বৰগীতৰ বিষয়বস্তুক কেইটা ভাগত ভাগ কৰিব পাৰি ?

(ii) 'আজি সুন্দৰৰ পূজা-থাপনাত
যাচিবি কিহেৰে ষোড়শোপচাৰ' —'ষোড়শোপচাৰ' শব্দই কি বুজাই লিখা।

(iii) নৱকান্ত বৰুৱাই শিশু আৰু চেমনীয়াৰ উপযোগীকৈ ৰচনা কৰা দুখন গ্ৰন্থৰ নাম লিখা।

**18.** তলৰ প্ৰশ্নবোৰৰ অতি চমু উত্তৰ দিয়া — *4×1=4*

(i) মাধৱদেৱে কিমানটা বৰগীত ৰচনা কৰিছিল ?

(ii) 'উভতি নহাৰ কবিতা' পাঠটি কোনখন পুথিৰ পৰা সংগ্ৰহ কৰা হৈছে ?

(iii) ত্ৰিজগতৰ পতি কোন ?

(iv) জ্যোতিপ্ৰসাদ আগৰৱালাই নিৰ্মাণ কৰা দ্বিতীয়খন কথাছবিৰ নাম কি ?